# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## বুধবাৰ, ২২ জুলাই, ২০২৬

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, আৰকাৰী, কৃষি, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, জলসম্পদ, ন্যায়।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **সীমান্ত উন্নয়ন আঁচনি আৰু ভূমি বেদখল আদি।**

শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ

* ১৬১। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ৫টা বিত্তীয় বৰ্ষত অসমত সীমান্ত এলেকা উন্নয়ন কাৰ্যসূচী (BADP) ৰ অধীনত মুঠ কিমান পুঁজি আৱণ্টন দিয়া হৈছে আৰু তাৰ ভিতৰত কিমান পুঁজি ব্যয় কৰা হৈছে তাৰ জিলা অনুযায়ী আৰু প্ৰকল্পভিত্তিক তালিকা প্ৰদান কৰিব।

(খ) আমাৰ সীমান্তৱৰ্তী ৰাজ্যসমূহৰ দ্বাৰা অসমৰ কিমান হেক্টৰ ভূমি অবৈধ বেদখলত আছে ৰাজ্য অনুযায়ী জনাব।

(গ) আন্তঃৰাজ্যিক সীমান্তসমূহত বৰ্তমান অসম আৰক্ষীৰ কিমানটা সীমান্ত আউটপোষ্ট (BOP) সক্ৰিয় হৈ আছে আৰু ইয়াৰ ভিতৰত কিমানটা আউটপোষ্টত স্থায়ী গৃহ, বিদ্যুৎ বা খোৱাপানীৰ সুব্যৱস্থা নাই?

(ঘ) চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে চলি থকা শেহতীয়া সীমান্ত আলোচনা বা Give and take নীতিৰ বৰ্তমানৰ স্থিতি কি আৰু এই বিবাদপূৰ্ণ সীমান্ত অঞ্চলত বসবাস কৰা অসমৰ পৰিয়ালসমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে?

(ঙ) সীমান্তৱৰ্তী অঞ্চলৰ লোকসকলৰ বাবে চৰকাৰে আন্তঃৰাষ্ট্ৰীয় বা আন্তঃৰাজ্যিক সীমান্তত "আদৰ্শ সীমান্ত গাওঁ" গঢ়ি তোলাৰ কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে বৰ্তমানলৈকে কিমানখন গাওঁ বাছনি কৰা হৈছে, প্ৰতিখন গাঁৱৰ বাবে কিমান বাজেট ধাৰ্য্য কৰা হৈছে আৰু তাত জীৱিকা সুনিশ্চিত কৰিবলৈ কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

*বিষয় ঃ* **মখানা উপলব্ধৰ সম্পৰ্কে**

শ্ৰী পবিত্ৰ ৰাভা ঃ

* ১৬২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত উৰপদ বিলত বৃহৎ পৰিমাণ মখানা উপলব্ধ। মখাণাৰ পুষ্টি গুণ আৰু স্বাস্থ্যগত উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি অসমত মখানা খেতিৰ সম্প্ৰসাৰণ প্ৰক্ৰিয়াকৰণ আৰু বজাৰ সংযোগৰ জৰিয়তে এই সম্ভাৱনাময় খণ্ডটোৰ বিকাশৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি পদক্ষেপ গ্ৰহণ কৰিছে? ভৱিষ্যতে এই ক্ষেত্ৰত চৰকাৰৰ কোনো বিশেষ পৰিকল্পনা আছেনে?

*বিষয় ঃ* **মৰা ভৰলু নদীৰ পৰিস্কাৰকৰণ**

শ্ৰী বিজয় কুমাৰ গুপ্তা ঃ

* ১৬৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চেণ্ট্ৰেল সমষ্টিৰ মাজেৰে বৈ যোৱা মৰা ভৰলু নদীখন খনন কৰি পলিমাটি আৱৰ্জনা নিষ্কাষণ কৰাৰ বাবে অবিৰাম গতিৰে অগ্ৰাধিকাৰ ভিত্তিত কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'বনে?

(খ) যদি লয়, কেতিয়া ল'ব?

(গ) যদি ইতিমধ্যে লৈছে উক্ত কামবোৰ কোন কোন ঠিকাদাৰক আৱণ্টন দিয়া হৈছে? (সবিশেষ তথ্য দিব)

(ঘ) লগতে এই মৰা ভৰলু নৈৰ দুইপাৰে ৰাস্তাৰ সংযোগী পকা দলং কমেও তিনিখন অতি আৱশ্যক (লাল-গণেশ, গোবিন্দ নগৰ, মৰা ভৰলুপাৰ আৰু ধীৰেনপাৰা)। এই দলং কেইখন নিৰ্মাণ কৰিবৰ বাবে ব্যৱস্থা হাতত ল'বনে?

*বিষয় ঃ* **বিষয়াবৰ্গ আৰু খালী থকা কৰ্মচাৰীৰ পদসমূহ পূৰণ সন্দৰ্ভত।**

শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

* ১৬৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোণাৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগত অনুমোদিত পদৰ বিপৰীতে বৰ্তমান বিষয়াবৰ্গ আৰু কৰ্মচাৰীৰ কিমানটা পদ খালী হৈ আছে?

(খ) বিভাগটোৰ খালী হৈ থকা বিষয়াবৰ্গ আৰু কৰ্মচাৰীৰ পদসমূহ পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? যদি কৰিছে, তেন্তে সেই পদসমূহ কেতিয়ালৈ পূৰণ কৰাৰ সম্ভাৱনা আছে?

*বিষয় ঃ* **এম জি এনৰেগা আঁচনি সম্পৰ্কে**

শ্ৰী সুৰেন ফুকন ঃ

* ১৬৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ এম জি এনৰেগা বৰ্তমান "ভি বি-জি ৰাম জি" আঁচনিখনত কোন কোন দিশত সালসলনি কৰা হৈছে আৰু শ্ৰমিক সকলৰ বাবে নতুন কি কি সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে?

(খ) আঁচনিখনত শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, কিমান টকাকৈ নিৰ্ধাৰণ কৰা হৈছে জনাব।

*বিষয় ঃ* **নতুনকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰা সম্পৰ্কে।**

ডাঃ আচিফ মঃ নাজাৰ ঃ

* ১৬৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাত কিমান শতাংশ

কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে?

(খ) লাহৰিঘাট সমষ্টিত কিমান শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে? বাকী থকা কৃষিভূমিত জলসিঞ্চন কৰিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) লাহৰিঘাট সমষ্টিত দীৰ্ঘদিন ধৰি বিকল হৈ থকা আঁচনি সমূহৰ নাম জনাবনে? এই আঁচনিসমূহ কাৰ্য্যক্ষম কৰিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে জনাব।

(ঘ) লাহৰিঘাটত থকা সৰু পথাৰবোৰত বিভাগে কৃষক সকলক উপকৃত কৰিবলৈ অগভীৰ নলীনাদ বহুৱাই জলসিঞ্চনৰ ব্যৱস্থা কৰিব নেকি? জনাব।

*Subject :* **River Embankments**

M. Badruddin Ajmal :

* 167. Will the Minister of Water Resources Department be pleased to state :

(a) Does the responsibility for the courses and flow of the state's rivers, as well as the maintenance of their embankments,fall under the purview of the Water Resources Department ?

(b) If so, does the responsibility for managing the situation rest with the Water Resources Department particularly given that the Forest Department has been extracting sand from the riverbed for commercial purposes for over a decade in a manner that alters the river's natural course and jeopardizes the structural stability of its banks ?

(c) If so, will the Water Resources Department immediately initiate an inquiry into the reckless sand extraction carried out by the Forest Department in the Jamuna River which flows through Binnakandi constituency and the adverse effects resulting from it?

(d) If so, within what timeframe will it be done, and if not, the reasons thereof ?

*বিষয় ঃ* **কৃষি বিভাগৰ আঁচনিৰ সংখ্যা**

শ্ৰীমতী বেবী বেগম ঃ

*১৬৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৃষকৰ কল্যাণৰ বাবে বিভাগে বিগত পাঁচ বছৰত কি কি আঁচনি গ্ৰহণ কৰিছিল? ইয়াৰে কোন আঁচনিৰ বিপৰীতে ৰাজ্য চৰকাৰে কিমান টকা ব্যয় কৰিছে? (উত্তৰৰ সৈতে বৰ্ষভিত্তিক ধাৰ্য্য আৰু ব্যয় কৰা পুঁজিৰ আঁচনিভিত্তিক সম্পূৰ্ণ তালিকা সংলগ্ন কৰিব)।

(খ) উক্ত সময়ছোৱাত কৃষি উৎপাদনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা সীমান্তৱৰ্তী পশ্চাদপদ ধুবুৰী জিলাত কিমানটা আঁচনি ৰূপায়ণ কৰিছে? ইয়াৰ বাবে ব্যয় হোৱা মুঠ ধনৰাশিৰ পৰিমাণ কিমান? (উত্তৰৰ সৈতে বৰ্ষভিত্তিক ৰূপায়ণ কৰা আঁচনিৰ ব্যয় হোৱা ধনৰাশিৰ পৰিমাণসহ সম্পূৰ্ণ তালিকা সংলগ্ন কৰিব)।

(গ) বিভাগে ধুবুৰি জিলাখনত ৰূপায়ণৰ বাবে কিমানটা আঁচনিৰ প্ৰস্তাৱ প্ৰেৰণ

কৰিছিল? ইয়াৰে কিমানটা প্ৰস্তাৱ অনুমোদিত হৈছে আৰু কিমানটা আঁচনি ৰূপায়ণ হৈছে? (উত্তৰৰ সৈতে প্ৰস্তাৱ প্ৰেৰণৰ পত্ৰসহ আঁচনিৰ তালিকাসহ কাৰ্য্যব্যৱস্থা গ্ৰহণৰ বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(ঘ) ধুবুৰী জিলাত বিভাগে প্ৰেৰণ কৰা অথচ ৰূপায়িত নোহোৱা জৰুৰী প্ৰস্তাৱসমূহ অগ্ৰাধিকাৰ ভিত্তিক ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব নে? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

*বিষয় ঃ* **ম্যাদ উকলি যোৱা মথাউৰিৰ সমস্যা**

মোঃ নুৰুল ইছলাম ঃ

*১৬৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানটা মথাউৰি আছে? এইবোৰ মথাউৰিৰ ভিতৰত কোনটো মথাউৰি কিমান চনত নিৰ্মাণ অথবা পুনৰ্নিৰ্মাণ কৰা হৈছে? (বৰ্ষভিত্তিত নিৰ্মাণ কৰা মথাউৰিৰ দৈৰ্ঘ্যৰ উল্লেখসহ জিলাভিত্তিক তালিকা পৃথকে সংলগ্ন কৰিব)।

(খ) এইসমূহ মথাউৰিৰ ভিতৰত কোন কেইটা মথাউৰিৰ ম্যাদ কিমান চনত উকলি গৈছে আৰু কোন কেইটা মথাউৰিৰ ম্যাদ কোন চনত উকলি যাব? ম্যাদ উকলি যোৱা মথাউৰিসমূহ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব)।

(গ) সৃজনগ্ৰাম সমষ্টিৰ মাজেৰে বৈ যোৱা নদীসমূহৰ ভিতৰত কোনখন নদীৰ দৈৰ্ঘ্য কিমান? উক্ত নদীসমূহৰ ভিতৰত সৃজনগ্ৰাম সমষ্টি এলেকাৰ পৰিসৰত কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি কেতিয়া নিৰ্মাণ কৰা হৈছিল? উক্ত মথাউৰিসমূহৰ বৰ্তমান স্থিতি কি? (বিস্তৃত তথ্যসহ দিব)

(ঘ) সৃজনগ্ৰাম সমষ্টিৰ জনগণক বানপানীৰ পৰা মুক্ত কৰিবলৈ কোনখন নদীত কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ আৰু পুনঃনিৰ্মাণৰ প্ৰয়োজন হ'ব? এই বিষয়ে সবিশেষ তথ্য চৰকাৰৰ হাতত আছে নে? যদি আছে, এইসমূহ মথাউৰি নিৰ্মাণৰ প্ৰস্তাৱ কি পৰ্য্যায়ত আছে? উক্ত প্ৰস্তাৱসমূহ কিমান দিনৰ ভিতৰত ৰূপায়ণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব)।

*বিষয় ঃ* **কৃষিভূমিলৈ পানী যোগানৰ বাবে জলসিঞ্চন আঁচনি।**

শ্ৰী জীৱেশ ৰায় ঃ

*১৭০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা বিধানসভা সমষ্টিত কৃষিভূমিলৈ পানী যোগানৰ বাবে মুঠ কিমান জলসিঞ্চন আঁচনি কাৰ্য্যকৰী হৈ আছে?

(খ) ইয়াৰ ভিতৰত বৰ্তমান কিমান আঁচনি বিকল হৈ আছে?

(গ) বিকল আঁচনি সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু কেতিয়ালৈকে সেই কাম সম্পূৰ্ণ কৰা হ'ব?

*বিষয় ঃ* **অসমৰ প্ৰতিখন পথাৰতে বছৰৰ সকলো সময়তে জলসিঞ্চনৰ ব্যৱস্থা।**

শ্ৰী অখিল গগৈ ঃ

*১৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ ভৌগোলিক মাটিৰ

পৰিমাণ, মুঠ খেতি কৰা মাটি (Gross Sown Area) আৰু প্ৰকৃত খেতি কৰা মাটিৰ (Net Sown Area) পৰিমাণ কিমান? ইয়াৰ ভিতৰত চৰকাৰী ব্যৱস্থাত আৰু ব্যক্তিগত খেতিয়কৰ প্ৰচেষ্টাত জলসিঞ্চন লাভ কৰা কৃষিভূমিৰ সুনিৰ্দিষ্ট পৰিমাণ কিমান কিমান? ৰাজ্যখনত ক্ৰমে বছৰি এবাৰ, দুবাৰ আৰু তিনিবাৰকৈ খেতি হোৱা মাটিৰ জিলাভিত্তিক হিচাপ কি?

(খ) ৰাজ্য চৰকাৰৰ জলসিঞ্চনৰ নিজা সক্ৰিয় আঁচনিসমূহ কি কি? বিগত ১০ বছৰত জলসিঞ্চনৰ আঁচনিৰ দ্বাৰা পানী যোগান ধৰিবলৈ মুঠ আৱণ্টিত পুঁজি আৰু ইয়াৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত লাভ কৰা মুঠ ধনৰ সবিশেষ পৰিমাণ জনাবনে? এই কেন্দ্ৰীয় ধনেৰে প্ৰকৃততে কিমান হেক্টৰ কৃষি পথাৰত নতুনকৈ জলসিঞ্চনৰ সুবিধা উপলব্ধ কৰা হ'ল?

(গ) অসমৰ প্ৰতি টুকুৰা কৃষি পথাৰতে বছৰৰ সকলো সময়তে জলসিঞ্চনৰ সুনিশ্চিতভাৱে যোগান ধৰি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে চৰকাৰে কিবা সুদূৰপ্ৰসাৰী মাষ্টাৰ প্লেন বা মেগা-পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **সৰুপথাৰ সমষ্টিৰ জলসিঞ্চন বিভাগৰ প্ৰকল্প সম্পৰ্কত।**

শ্ৰী বিশ্বজিৎ ফুকন ঃ

*১৭২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ সমষ্টিত জলসিঞ্চন বিভাগৰ সৰ্বমুঠ কিমানটা প্ৰকল্প আছে?

(খ) ইয়াৰে কিমানটা প্ৰকল্প কাৰ্য্যক্ষম হৈ আছে?

(গ) কাৰ্য্যক্ষম হৈ নথকা প্ৰকল্প সমূহ কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে বিভাগে কি ব্যৱস্থা হাতত লৈছে?

*বিষয় ঃ* **নদী ভাঙন রোধের ব্যবস্থা**

শ্ৰী অমিয় কান্তি দাস ঃ

*১৭৩। মাননীয় জলসম্পদ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করে জানাবেন কি ঃ

ধলাই বিধানসভায় দুটি নদী আছে "সোনাই নদী" ও রুকনী নদী। "সোনাই নদী"র তিনটি স্থান যথাক্রমে আমড়াঘাট, কল্যাণপুর ও বনতারাপুরে তিনটি, এবং গজালঘাট সহ রুকনী নদীর প্রায় ৮ টি স্থানে নদী ভাঙন ভয়াবহ রূপ ধারণ করেছে। এ ব্যাপারে সরকার অবগত কি? যদি অবগত, তবে সরকার কি পদক্ষেপ নিয়েছেন জানাবেন।

*বিষয় ঃ* **ছমৰীয়া সমষ্টি আৰু জলসিঞ্চন আঁচনি।**

শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ

*১৭৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খৰাঙৰ বাবে অসমৰ বহু অঞ্চলত পানীৰ অভাৱত কৃষকে ধান খেতি কৰিব পৰা নাই। এই বিষয়ে বিভাগটো অৱগতনে? যদি অৱগত, তেনেহ'লে কৃষকক সকাহ দিবৰ বাবে কি কি ব্যৱস্থা লৈছে জনাব।

(খ) ছমৰীয়া সমষ্টিত কিমান হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যায় আৰু কিমান হেক্টৰ ভূমি চৰকাৰী জলসিঞ্চন ব্যৱস্থাই সামৰি লৈছে বিতংকৈ জনাব।

(গ) ছমৰীয়া সমষ্টিত কিমানটা জলসিঞ্চন আঁচনি বা প্ৰকল্প আছে আৰু ইয়াৰে কিমানটা আঁচনি বা প্ৰকল্প কাৰ্য্যক্ষম হৈ আছে? বিকল হৈ থকা আঁচনি বা প্ৰকল্পৰ নাম আৰু সেইবোৰ কেতিয়া কাৰ্য্যক্ষম কৰা হ'ব জনাব।

(ঘ) ছমৰীয়া সমষ্টিত নতুনকৈ জলসিঞ্চন আঁচনি লোৱা হ'ব নেকি? যদি লোৱা হয়, তেতিয়াহ'লে সেইবোৰ ক'ত ক'ত লোৱা হ'ব বিতংকৈ জনাব।

*বিষয় ঃ* **খোৰাং কলৌলোৱা জলসিঞ্চন প্ৰকল্প।**

শ্ৰী চক্ৰধৰ গগৈ ঃ

*১৭৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান টিংখাং সমষ্টিৰ অন্তৰ্গত কলৌলোৱা দেউৰী গাঁৰৰ সমীপত দিহিং নদীৰ পৰা পানী উত্তোলন জলসিঞ্চন প্ৰকল্পটো আজি বহু বছৰ ধৰি অচল হৈ পৰি থকাটো চৰকাৰ অৱগত নে? যদি অৱগত, তেন্তে ইয়াক পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা ল'ব নেকি? জনাব।

(খ) এই জলসিঞ্চন প্ৰকল্পৰ পৰা পানী বোৱাই নিয়া মূল নলাটো নিৰ্মাণৰ বাবে টিংখাং আৰু খোৱাং সমষ্টিৰ কিমান জন কৃষকৰ পৰা মুঠ কিমান বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল? চৰকাৰে অধিগ্ৰহণ কৰি লোৱা এই ভূমিখিনিৰ বাবে প্ৰভাৱিত কৃষক সকলক খাজনাৰ পৰা ৰেহাই দিয়া হ'লনে? যদি হোৱা নাই, কেতিয়া কৰিব? জনাব।

*বিষয় ঃ* **প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰাম্য ধনৰ সন্দৰ্ভত।**

শ্ৰী পৃথ্বিৰাজ ৰাভা ঃ

*১৭৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰাম্য আঁচনিৰ জৰিয়তে বহু দুখীয়া পৰিয়ালে ঘৰ নিৰ্মাণ কৰিবলৈ সুবিধা পাইছে যদিও ঘৰ বনোৱাৰ পিছত যাৱতীয় যিবোৰ বিভাগীয় কাম কৰাৰ পিছতো বহু হিতাধিকাৰীয়ে দ্বিতীয় কিস্তি আৰু কিছুমানে চূড়ান্ত কিস্তিৰ ধন পাবলৈ সক্ষম হোৱা নাই। যাৰবাবে ঘৰবোৰ আধৰুৱা হৈ পৰি আছে। তেনে কিস্তিৰ ধন সমূহ লাভ নকৰাটো বিভাগৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, এই ধন সমূহ কেতিয়া মুকলি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব?

*বিষয় ঃ* **বিদেশী বিতাড়ন, অসমীয়াৰ সংজ্ঞা আদি সম্পৰ্কে।**

শ্ৰী আব্দুৰ ৰহিম আহমেদ ঃ

*১৭৭। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পৰা যোৱা ১০ বছৰে দেশানুযায়ী কিমান অবৈধ নাগৰিক অসমৰ পৰা বিতাড়ন কৰা হ'ল তলৰ তালিকানুসৰি জনাব।

| দেশ | বৰ্ষ | বিতাড়িত সংখ্যা |
|---|---|---|
| | | |

(খ) “অসমীয়া”ৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হ'লনে? যদি হোৱা নাই, এয়া কি পৰ্য্যায়ত আছে জনাব।

(গ) মাননীয় ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটিৰ কোনবোৰ পৰামৰ্শ ৰূপায়ণ কৰিবলৈ থিৰাং কৰা হৈছে আৰু কোনবোৰ পৰামৰ্শ ৰূপায়ণ কৰাৰ পৰা বিৰত থকাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু কি কাৰণত বিৰত থকাৰ সিদ্ধান্ত লোৱা হৈছে সেয়া পৰামৰ্শনুযায়ী জনাব।

(ঘ) অসম চুক্তিৰ ছয় নং দফা ৰূপায়ণ কি পৰ্য্যায়ত আছে জনাব।

*বিষয় ঃ* **মথাউৰি মেৰামতি কৰাৰ সম্পৰ্কত**

শ্ৰী মানৱ ডেকা ঃ

*১৭৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

চৰকাৰে অসমৰ বাবে কোনো নদী অৱবাহিকা ভিত্তিক (basin wise) অথবা জিলাভিত্তিক দীৰ্ঘম্যাদী বান আৰু খহনীয়া প্ৰশমনৰ কৌশল প্ৰস্তুত কৰিছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণ সম্পৰ্কে।**

শ্ৰী বলিন চেতিয়া ঃ

*১৭৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয় আৰু ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ আন্তঃগাঁথনি অতি জৰাজীৰ্ণ হৈ আছে। এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ)যদিহে জ্ঞাত, শদিয়া উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয় আৰু ছৈখোৱা উন্নয়ন খণ্ড বিষয়াৰ কাৰ্য্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰে কোনো আঁচনি হাতত লৈছে নে? যদি লৈছে, কেতিয়ালৈ আন্তঃগাঁথনি নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব?

*বিষয় ঃ* **জলসিঞ্চন আঁচনি সম্পৰ্কে**

শ্ৰী ঋতু বৰন শৰ্মা ঃ

*১৮০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰছলা বিধান সভা সমষ্টিত কিমানটা জলসিঞ্চন আঁচনি সক্ৰিয় হৈ আছে? কৃষি প্ৰধান এই সমষ্টিৰ বাবে নতুনকৈ কিবা আঁচনি গ্ৰহণ কৰাৰ পৰিকল্পনা কৰা হৈছে নেকি?

(খ) অসমৰ ভিতৰতে এটি অন্যতম কৃষি প্ৰধান অঞ্চল বৰছলাত যিবিলাক আঁচনি ইতিমধ্যে আৰম্ভ কৰা হৈছে, কৃষক ৰাইজে তাৰ দ্বাৰা উপকৃত হোৱা পৰিলক্ষিত হোৱা নাই। এই ক্ষেত্ৰত পুৰণি আঁচনি সমূহ সক্ৰিয় কৰি তুলিবলৈ কিবা পৰিকল্পনা আছে নেকি?

(গ) সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে নতুনকৈ গোটেই সমষ্টি সামৰি জলসিঞ্চন ব্যৱস্থাটোৰ এক আমূল পৰিৱৰ্তন আনিবলৈ সম্পূৰ্ণ ব্যৱহাৰিক দৃষ্টি ভংগীৰে কিবা পৰিকল্পনা কৰিছে নেকি? সদনত সবিশেষ জনাব।

---

A.G.P. (Mini) LAQ - 01/2026/753-600-15-07-2026